Office of the

**INDIGENOUS TRIBAL SAHITYA SABHA, ASSAM (ITSSA)**

H.Q. : (Temporary) Socio- Literary Cultural Complex (BSS)
(Near RNB ISBT)
Bathoupuri, Garchuk- Ahomgaon, Guwahati-35

No. Date : 21-07-2020

## খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমৰ প্ৰতিক্ৰিয়া ঃ
## টেলিফোনিক বাৰ্তাৰে অসমৰ বন্যাৰ্তৰ পেটৰ ভোক নভৰে,
## এটুপি পানী নাপায় আৰু ক্ষতিগ্ৰস্ত কৃষি ভূমি শস্য-শ্যামলা নহয়

গুৱাহাটী, ২১ জুলাই ২০২০

অসমৰ জনপ্ৰিয় দৈনিক বাতৰি কাকত সমূহত ভাৰতৰ মহামান্য, প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদীয়ে যোৱা কালি ১৯-০৭-২০২০ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱালৰ লগত টেলিফোনিক বাৰ্তালাপেৰে অসমৰ বিধ্বংসী বান-গৰাখহনীয়া, কৰোণা আৰু বাঘজানৰ তেলখাদৰ বিধ্বংসী অগ্নিকাণ্ডৰ খবৰ লোৱা বুলি প্ৰকাশিত বাতৰিৰ প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমে। লগতে টেলিফোনিক বাৰ্তালাপেৰে যোৱা দুই/তিনি মাহ ধৰি বিধ্বংসী বান আৰু গৰাখহনীয়াত সৰ্বোশ্ৰান্ত হোৱা লাখ লাখ অসমৰ বন্যাৰ্তৰ পেটৰ ভোক নভৰে, এটুপি পানী নাপায় আৰু ক্ষতিগ্ৰস্ত কৃষি ভূমি শস্য-শ্যামলা নহয়। বিশ্বৰ চুপাৰ পাৱাৰ হবলৈ গৈ থকা ভাৰতে যোৱা দুমাহ ধৰি বাঘজানৰ তেলখাদৰ বিধ্বংসী জুই নিৰ্বাপিত কৰিব নোৱাৰাটো কি সুচাই বুলি প্ৰশ্ন উৎথাপন কৰিছে, অসমৰ বৰো, মিচিং, কাৰবি, ৰাভা, গাৰো, তিৱা, দেউৰী আৰু ডিমাছা আদি আঠটাকৈ খিলঞ্জীয়া জনজাতীয় সাহিত্য সভাৰ যৌথ মঞ্চ (ইটছা)ই। বৰ্তমান ভাৰতীয় তেল নিগমে সম্পূৰ্ণভাবে জ্বলি চাই হৈ যোৱা পৰিয়ালক আৰ্থিক সাহাৰ্য্য প্ৰদান কৰিছে আৰু প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছে, যদিও তেওলোকক ক'ত সংস্থাপন কৰিব তাৰ নিশ্চয়তা দিব পৰা নাই। আমি ভাবো মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত টেলিফোনিক বাৰ্তালাপেৰে সদায় অসমৰ জনসাধাৰণৰ লগত আছো বুলি যোৱা চাৰিটা বছৰেই কৈ আহিছে। কিন্তু বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ বানপানী-গৰাখহনীয়াত প্ৰতি বছৰেই সৰ্বশ্ৰান্ত হোৱা অসমৰ লাখ লাখ লোকক ৰক্ষা কৰাৰ কি স্থায়ী ব্যৱস্থা লোৱা হ'ল ? সেয়া স্পষ্ট কৰিবলৈ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ ওচৰত দাবী জনাইছে, খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমে। বৰ্তমান কৰোণাত বিধ্বস্ত ভাৰতত ভাৰত চৰকাৰে অসমৰ বান-গৰাখহনীয়া স্থায়ী সমাধান কৰিব পাৰিব বুলি আমি বিশ্বাসত লোৱা নাই। কিন্তু সাময়িক সকাহৰ বাবে মানৱতাৰ খাতিৰত ২০০০/২৫০০ কোটি টকাৰ সৰু পেকেজ এটাও ঘোষণা নকৰাকৈ টেলিফোনিক বাৰ্তালাপেৰেই অসমৰ জনগণক সান্ত্বনা দিলেই অসমক ভালপোৱা বুজাই বা অসমৰ লগত দুখ-সুখ সকলো সময়তেই থকাৰ কথা বুজায় সেয়া এক সাঁথৰৰ দৰে।

অসমত লাখ লাখ হেক্টৰ কৃষি ভূমি সম্পূৰ্ণ ভাবে ধ্বংস হৈ গৈছে। লগতে মীন পালক সকলৰ পুখুৰীৰ মাছ সম্পূৰ্ণকৈ বিধ্বস্ত হৈ গৈছে। ৮০ত কৈ অধিক লোকৰ বানত মৃত্যু হবলগীয়া হৈছে। অকল মানুহেই নহয় হাজাৰ হাজাৰ পশুধন বান-গৰাখহনীয়াত উটি গৈছে আৰু কেইবাশ জীৱ-জন্তুৰ মৃত্যু মুখত পৰিছে। কাজিৰঙা-পবিতৰা আদি ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তুৰ বানত উটি অ'ত-ত'ত ঘুৰি ফুৰিছে আৰু আশ্ৰয়ৰ অভাৱত অন্য ঠাইলৈ ওলাই গৈছে। চৰকাৰৰ তথ্য মতেই অসমত প্ৰায় ৩৫ লাখ লোক বান-গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। প্ৰায় দেৰলাখ হেক্টৰ কৃষি ভূমি বান-গৰাখহনীয়াত জাহ গৈছে। আশ্ৰয় শিবিৰ স্থাপনৰ বাবে ওখ ঠাইৰ অভাব হৈছে। বিশ্ব ঐতিহ্য কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্যাপ্ত ওখ ঠাই অথবা কৃত্ৰিম হাইলেণ্ডৰ নিৰ্মাণ কৰিব নোৱাৰিলে। সাধাৰণ নাগৰিক (চিভিল চোচাইটি) হিচাপে এইবোৰ ভাৰত চৰকাৰৰ দৃষ্টিগোচৰ কৰাটো আমাৰ দায়িত্ব বুলি অনুভব কৰিছো।

বৰ্তমানৰ কৰোণাৰ এই সংকটপূৰ্ণ পৰিবেশত মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে নিজেই অসমলৈ আহি অসমৰ দুৰ্দশাগ্ৰস্থ লোকৰ খবৰ ল'বলৈ আহিব লাগে বুলি আমি নাভাবো। কিন্তু মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ বিশ্বস্ত এজন কেন্দ্ৰীয় মন্ত্ৰী অসমলৈ প্ৰেৰণ কৰি অসমৰ সৰ্বশ্ৰান্ত বান-গৰাখহনীয়াত ক্ষতিগ্ৰস্ত লোকৰ খবৰ লব নোৱাৰাটো অতিকৈ উদ্বেগজনক বুলি ক্ষোভ প্ৰকাশ কৰিছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা (আই. টি. এছ. এছ. এ.), অসমে।

(শ্ৰী গোবিন্দ টাইড)
সভাপতি
খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম

(শ্ৰীকমলাকান্ত মুছাহাৰী)
সম্পাদক প্ৰধান
খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম
মো ঃ নং ঃ 94351-90874